দৈনিক অগ্রদূত, ২১ জানুৱাৰী, 2002

# মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সংযোগী পথৰ দলং মুকলিৰ দাবী

১১/১/০২

বিশেষ সংবাদদাতা

**বৰপেটা, ১০ জানুৱাৰী ঃ** বৰপেটা জিলাত অৱস্থিত মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী বৰপেটাৰোড-বাঁহবাৰী গড়কাপ্তানী পথৰ ওপৰত থকা কালপানীৰ দলংখন বাছ চলাচলৰ বাবে মুকলি কৰি দিবলৈ প্ৰকৃতিপ্ৰেমী সংগঠন 'গ্ৰীণ মানাহে' যোৱা দুই জানুৱাৰীৰ দিনা জিলা উপায়ুক্তক এক স্মাৰকপত্ৰযোগে দাবী জনাইছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানখন এই বছৰ পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে যদিও ৰাষ্ট্ৰীয় উদ্যানখনৰ স'তে সংযোগী একমাত্ৰ বৰপেটাৰোড-বাঁহবাৰী গড়কাপ্তানী পথত থকা কালপানীৰ দলংখন যোৱা ২৫ ডিচেম্বৰৰ পৰা কোনো বিকল্প পথৰ ব্যৱস্থা নকৰাকৈ হঠাতে বন্ধ কৰি দিয়া হৈছে। ফলত নৱবৰ্ষৰ পৰা পৰ্যটক অথবা বনভোজী যাত্ৰীৰ আগমনত বাধাগ্ৰস্ত হৈছে। গ্ৰীণ মানাহৰ প্ৰধান সম্পাদক নিৰঞ্জন বৰ্মনে স্মাৰকপত্ৰত উল্লেখ কৰা মতে উক্ত দলংখন সম্প্ৰতি খালী যান-বাহনৰ বাবে সুচল হৈয়ে আছে। সেয়েহে পৰ্যটক বা বনভোজকাৰী যাত্ৰীসকলক নমাই দলংখন পাৰ কৰোৱাৰ ব্যৱস্থা কৰিবলৈ নাইবা বিকল্প পথৰ ব্যৱস্থা কৰি উদ্যানলৈ যাব পৰা পথটো সুগম কৰি তোলাৰ বাবে গ্ৰীণ মানাহে স্মাৰকপত্ৰৰ জৰিয়তে উপায়ুক্তৰ ওচৰত দাবী জনাইছে।

আমাৰ অসম, ১২ জানুৱাৰী 2002

# মানাহ ৰক্ষণাবেক্ষণ সম্পৰ্কীয় সজাগতা সভা গ্ৰীণ মানাহৰ

● 'আমাৰ অসম'ৰ অৰণ্যম সেৱা, বৰপেটা,

যোৱা ২৮ ডিচেম্বৰৰ দিনা 'কাটাঝাৰ খণ্ড বন কাৰ্যালয়' প্ৰাংগণত পুৱা ১০ বজাৰ পৰা ২ বজালৈ গ্ৰীণ মানাহৰ উদ্যোগত 'মানাহ ৰাষ্ট্ৰীয় উদ্যান' ৰক্ষণাবেক্ষণ সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত হয়।

সজাগতা সভাখন সঞ্চালনা কৰে গ্ৰীণ মানাহৰ সচিব টিকেন্দ্ৰজিৎ দাসে। সভাত উপস্থিত থাকে গ্ৰীণ মানাহৰ প্ৰধান সচিব নিৰঞ্জন বৰ্মন আৰু সদস্য ক্ৰমে ফণীন্দ্ৰ বসুমতাৰী, ধনজিৎ দাস, চবিন বসুমতাৰী, কুমাৰ ব্ৰহ্ম আৰু সুভাষ তীৰ্কিয়ে। আনহাতে, সভাখনত স্থানীয় ১০খন গাঁৱৰ প্ৰতিনিধি আৰু ৫০জন ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

গাঁওকেইখন হৈছে— ৰাজাবিল, কাটাঝাৰ, গোহাইৰভিঠা, ডাওৰাইবাৰী, ধুণ্ডালগা, লাহৰিপাৰা, ল্যাংদাংপাৰা, কাহিবাৰী, পালছিগুৰি, মায়ংপাৰা আদি। সভাত মানাহ সংৰক্ষণৰ বিষয়ে ৰাইজৰ তৰফৰ পৰা মতামত গ্ৰহণ কৰা হয়। আটাইয়ে মানাহ সংৰক্ষণত আগভাগ ল'বলৈ ঐকমত্য পোষণ কৰে।

লগতে গাঁওসমূহ উন্নয়নত একেবাৰে পিছপৰা বাবে বিভাগীয়ভাৱে উন্নয়নত গুৰুত্ব দিয়াৰ বাবে ৰাইজে আহ্বান জনায়।